# অসম বিধানসভা
## তৰাবিহীন প্ৰশ্ন নং - ২৫০
## উত্তৰ দানৰ তাৰিখ – ২৮-০৭-২০২২
## বিষয় – পেঞ্চন নীতি সম্পৰ্কত
## বিধায়ক – শ্ৰী দেৱব্ৰত শইকীয়া:

মাননীয় পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

প্ৰশ্ন

(ক) অসম চৰকাৰে পুৰণা পেঞ্চন নীতি বলবৎ কৰিব নেকি ?

(খ) নতুন পেঞ্চন নীতি কিমান চনত ঘোষণা আৰু প্ৰৱৰ্তন কৰা হৈছিল ?

(গ) পুৰণা পেঞ্চন নীতি আৰু নতুন পেঞ্চন নীতিৰ পাৰ্থক্য সমূহ কি কি ? তালিকাভুক্ত কৰি জনাব। পুৰণি পেঞ্চন আঁচনিৰ দৰে নতুন আঁচনিত ডি,এ, ভৱিষ্য নিধি অথবা নূন্যতম পেঞ্চন আছেনে ?

(ঘ) পুৰণা পেঞ্চন নীতিত এজন অৱসৰ প্ৰাপ্ত কৰ্মচাৰীয়ে নূন্যতম কিমান টকা পেঞ্চন লাভ কৰে আৰু নতুন পেঞ্চন নীতি সৰ্বনিম্ন কিমান টকা মাহিলী পেঞ্চন লাভ কৰিছে তথ্যসহ জনাব। উদাহৰণ দিবৰ বাবে তলৰ তালিকা অনুযায়ী তথ্য দিব।

| নাম | চাকৰিত যোগদান | চাকৰি চৰকাৰী কৰণ | অৱসৰ বছৰ | শেষ মাহৰ দৰমহা | মুঠ জমা ধন | মাহিলী পোৱা...পাব লগা পেঞ্চন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
| শ্ৰী..দাস, কনিষ্ঠ সহায়ক | ২০০৯ | ২০১৬ এপ্ৰিল | ২০১৯ ফেব্ৰুৱাৰী | ৩৩,০০০ | | |
| শ্ৰী..নাথ, কলেজ অধ্যক্ষ | ১৯৮৫ | ২০১৩ জানুৱাৰী | ২০১৯ অক্টোবৰ | ২,৫০,০০০ | | |
| শ্ৰী..ডেকা, প্ৰবক্তা | ১৯৯৪ | ২০১৪ আগষ্ট | ২০১৭ ডিচেম্বৰ | ১,৫০,০০০ | | |
| শ্ৰী..হুছেইন, প্ৰধান শিক্ষক | ১৯৮২ | ২০১৩ জানুৱাৰী | ২০১৯ জুলাই | ৪৩,০০০ | | |

উত্তৰ

পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ মাননীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে উত্তৰ দিব :

(ক) বৰ্তমান ভাৰত চৰকাৰৰ NPS আঁচনিৰ আৰ্হিত অসম চৰকাৰে ইং ২০০৫ চনত প্ৰচলন কৰা NPS আঁচনি বাহাল আছে।

(খ) ভাৰত চৰকাৰৰ নতুন পেঞ্চন আঁচনিৰ আৰ্হিত, অসম চৰকাৰৰ অধীনস্থ বিষয়া কৰ্মচাৰীৰ বাবে ইংৰাজী ০১-০২-২০০৫ চনৰ পৰা কাৰ্য্যকৰী হোৱাকৈ নতুন পেঞ্চন আঁচনি (NPS) ইংৰাজী ২৫-০১-২০০৫ চনত ঘোষণা কৰিছিল।

(গ) পুৰণি পেঞ্চন আঁচনি আৰু নতুন পেঞ্চন আঁচনিৰ মূল পাৰ্থক্য সমূহ হ'ল।

| পুৰণি পেঞ্চন আঁচনি | নতুন পেঞ্চন আঁচনি |
|---|---|
| (১) Pay Commission ৰ অনুমোদন সাপেক্ষে ১৯৬৯ চনৰ পেঞ্চন আঁচনিয়ে সামৰি লোৱা অসম চৰকাৰৰ সকলো বিষয়া কৰ্মচাৰীয়ে অৱসৰৰ পিছত পাবলগীয়া সুবিধা সমূহ নিৰন্তৰ পায় থাকে । পুৰণি পেঞ্চন আঁচনিৰ অন্তৰ্গত অৱসৰপ্ৰাপ্ত কৰ্মচাৰী জনে সাধাৰণতে তেওঁৰ অন্তিম মূল দৰমহাৰ ৫০% পেঞ্চন হিচাপে লাভ কৰে। | (১) নতুন পেঞ্চন আঁচনিৰ অধীনস্থ বিষয়া কৰ্মচাৰীৰ মূল বেতন আৰু ডি.এ. ৰ ১০% ধন পেঞ্চন আঁচনি (NPS) ৰ নামত কৰ্তন কৰি বিষয়া - কৰ্মচাৰীজনৰ নিজা PPAN একাউণ্টত জমা কৰা হয়। নতুন, পেঞ্চন আঁচনিৰ অধীনস্থ বিষয়া কৰ্মচাৰী সকলৰ মূল বেতন আৰু ডি.এ. ৰ ১০% প্ৰত্যেক মাহে মাহে কৰ্তন কৰি সংশ্লিষ্ট কৰ্মচাৰী জনৰ PPAN একাউণ্টত জমা কৰা হয়। অসম চৰকাৰেও বিষয়া কৰ্মচাৰীৰ মূল বেতন আৰু ডি. এ. ৰ ১৪% ধন সেই বিষয়া কৰ্মচাৰীৰ PPAN একাউণ্টত জমা কৰে। আৰু সেই টকা খিনি সময়ে সময়ে কৰ্মচাৰী জনৰ PRAN একাউণ্টত জমা হৈ বিভিন্ন পেঞ্চন স্কিমত নিবেশ হৈ থাকে। কৰ্মচাৰী সকলে অৱসৰৰ সময়ত সুত সহ জমা হোৱা মুঠ ধনৰ ৬০% ধন এককালীন ভাৱে উঠোৱাৰ পিছত বাকী ৰৈ যোৱা ৪০% ধন কৰ্মচাৰী সকলে বিভিন্ন বীমা সংস্থাত বিনিয়োগ/নিবেশ কৰিলে তাৰ পৰা কৰ্মচাৰী সকলে মাহে মাহে পেঞ্চন লাভ কৰে। দেখা যায় যে, নতুন পেঞ্চন আঁচনিৰ অধীনস্থ বিষয়া - কৰ্মচাৰী সকলৰ চাকৰিকাল ১০ বছৰৰ কম হলেও পেঞ্চন লাভ কৰে। |
| (২) পুৰণি পেঞ্চন আঁচনিৰ অন্তৰ্ভুক্ত বিষয়া-কৰ্মচাৰীৰ দৰমহাৰ কোনো অংশ পেঞ্চনৰ নামত কৰ্তন কৰা নহয়। | (২) নতুন পেঞ্চন আঁচনিৰ অধীনস্থ বিষয়া-কৰ্মচাৰীৰ মূল বেতন আৰু ডি.এ. (D.A.) ৰ ১০% ধন পেঞ্চন আঁচনি (NPS) ৰ অধীনত কৰ্তন কৰি বিষয়া কৰ্মচাৰীসকলৰ নিজা PPAN একাউণ্টত জমা কৰা হয়। |

পুৰণি পেঞ্চন আঁচনিৰ দৰে নতুন পেঞ্চন আঁচনিৰ অধীনস্থ বিষয়া-কৰ্মচাৰী সকলে অৱসৰ গ্ৰহন কৰাৰ পিছত ডি. এ., ভৱিষ্যনিধি বৰ্তমান সময়ত লাভ কৰা দেখা নাযায়। নতুন পেঞ্চন আঁচনিৰ অধীনস্থ বিষয়া কৰ্মচাৰী সকলৰ অৱসৰৰ সময়ত PRAN একাউণ্টত সূত সহ জমা হোৱা ধনৰ ৬০% এককালীন ভাৱে উঠোৱাৰ পিছত বাকী ৰৈ যোৱা ৪০% ধন বীমা সংস্থাত বিনিয়োগ কৰিলে পেঞ্চন লাভ কৰে।

(ঘ) পুৰণি পেঞ্চন আঁচনিৰ অন্তৰ্গত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ নূন্যতম পেঞ্চন তেওঁৰ অন্তিম দৰমহাৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে অৱসৰপ্ৰাপ্ত কৰ্মচাৰী জনে তেওঁৰ অন্তিম মূল দৰমহাৰ ৫০% পেঞ্চন হিচাপে লাভ কৰে।

নতুন পেঞ্চন আঁচনিৰ অধীনস্থ বিষয়া - কৰ্মচাৰী সকলে তেওঁলোকৰ নিজ নিজ PRAN একাউণ্টত সুত সহ জমা হোৱা ধনৰ ৪০% ধন বীমা সংস্থাত নিয়োগ/বিনিময় কৰিলে সেই ধনৰ ওপৰত প্ৰত্যেক মাহে মাহে পেঞ্চন লাভ কৰে। এই পেঞ্চন আঁচনিৰ অন্তৰ্গত কৰ্মচাৰী এজনৰ নূন্যতম পেঞ্চন তেখেতৰ জমা হোৱা ধনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে।

উল্লেখযোগ্য যে, পুৰণি পেঞ্চন আঁচনিৰ অন্তৰ্ভুক্ত কৰ্মচাৰী এজনে পেঞ্চন পাবৰ কাৰণে অতি কমেও ১০ (দহ) বছৰ কাল নিৰন্তৰ চাকৰি কৰিব লগে।

এইখিনিতে, উল্লেখযোগ্য যে প্ৰশ্ন "ঘ" ত তালিকাভুক্ত কৰ্মচাৰী সকলৰ ১০ (দহ) বছৰ কাল নিয়মীয়া চাকৰি হোৱা নাই আৰু তেখেতসকলৰ চাকৰি চৰকাৰী কৰণ ২০০৫ চনৰ পিছত কৰা হৈছে। সেয়েহে, তেখেতসকলে পুৰণি পেঞ্চন আঁচনিত পেঞ্চন পোৱাৰ বাবে যোগ্য নহয়। যিহেতু তেখেসকলৰ চাকৰি চৰকাৰী কৰণ ২০০৫ চনৰ পাছত হৈছে তেখেত সকলে নতুন পেঞ্চন আঁচনিৰ আওঁতাত পৰে। উল্লেখযোগ্য যে নতুন পেঞ্চন আঁচনিৰ অন্তৰ্ভুক্ত কৰ্মচাৰীৰ পেঞ্চন পোৱাৰ ক্ষেত্ৰত কোনো ধৰণৰ 'Qualifying Service' নাথাকে।

--------------------